# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-OCT-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
**HEADLINES**
**::::::::::::::::::**

১। সমগ্ৰ ৰাজ্যতে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপন। ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু উপ-ৰাষ্ট্ৰপতিৰ শুভেচ্ছা জ্ঞাপন।

২। অহা ডিচেম্বৰ বা জানুৱাৰীৰ ভিতৰত কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা।

৩। টাটা টেকন'ল'জিৰ সহায়ত দক্ষতা ভিত্তিক পাঠ্যক্ৰমৰ প্ৰৱৰ্তনেৰে অসমৰ ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰসমূহৰ উন্নীতকৰণ প্ৰক্ৰিয়া আৰম্ভ।

৪। ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে ২৩ অক্টোবৰত পৰ্যটকৰ বাবে  পবিতৰা অভয়াৰণ্য মুকলি।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত বাংলাদেশক শ্ৰীলংকাৰ ২০৩ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ।

০০০০০

সমগ্ৰ ৰাজ্যতে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে  এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু বিভিন্ন ৰঙীন বিজুলীবাতিৰে ৰাজ্যৰ চহৰ, নগৰৰ বাসগৃহসমূহ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পোহৰাই তোলা হৈছে। ইয়াৰ উপৰি বাসগৃহ আৰু প্ৰতিষ্ঠানসমূহৰ সন্মুখত কলগছ ৰোপন কৰি মাটিৰ চাকিৰে পোহৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীতো পৰম্পৰাগত ৰীতি-নীতিৰে কালিপূজা আৰু দিপাৱলী  পালন কৰা হৈছে। মহানগৰখনৰ ভালেমান লোকৰ বাসগৃহৰ সন্মুখ আৰু দোকান পোহাৰৰ সন্মুখত শাৰী শাৰী কলগছ ৰোপণ কৰি বন্তিৰে চৌপাশ উজ্বলাই তোলা হৈছে। বিভিন্ন ঠাইত থকা কালী মন্দিৰসমূহৰ লগতে আন কেতবোৰ ঠাইত কালী পূজাৰ আয়োজন কৰা হৈছে। গুৱাহাটী মহানগৰীত কালী পূজা আৰু দীপাৱলী উদযাপন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা হেমন্ত বৰা—

*(বাইট ঃ বৰা)*

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পৰিবেশৰ প্ৰতি লক্ষ্য ৰাখি দায়বদ্ধ মানসিকতাৰে উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত তেওঁ কয় যে কালী পূজাই মানুহৰ মনৰ পৰা ভয় আৰু অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই অন্তৰ্নিহিত শক্তিক জাগ্ৰত কৰাৰ পাঠ দিয়ে। ৰাজ্যপালগৰাকীয়ে সহমৰ্মিতা, পাৰস্পৰিক সহানুভূতি আৰু সৌহাৰ্দ্য বজাই ৰাখি এই উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনায়। পোহৰৰ উৎসৱ দীপাৱলীয়ে নিৰাশাৰ বিপৰীতে সত্য, আশা আৰু পোহৰৰ জয় সাব্যস্ত কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে। ৰাজ্যপালগৰাকীয়ে আজি গুৱাহাটীৰ নাৰেংগী সেনা চাউনীত উপস্থিত হৈ সেনা বাহিনীৰ বিষয়া আৰু জোৱানসকলৰ সৈতে দীপাৱলী উদযাপন কৰে। সেনাবাহিনীৰ লোকসকলৰ সৈতে তেওঁ মত বিনিময় কৰাৰ লগতে মিঠায়ো বিতৰণ কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সমূহ অসমবাসীক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। পোহৰৰ এই উৎসৱে সকলোৰে জীৱন আলোকময় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে কামনা কৰে।

এইবাৰ বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ লগতে দল-সংগঠনে শব্দ, বায়ু প্ৰদূষণবিহীন দীপাৱলী উদযাপন কৰাৰ উদ্দেশ্যে আহ্বান জনাইছে।

ৰাজ্যৰ প্ৰতিখন জিলাতে জাকজমকতা পৰিহাৰ কৰি আৰু পৰম্পৰা বৰ্তাই ৰাখি কালিপূজা আৰু দীপাৱলী উদযাপন কৰা হৈছে।

**ধেমাজি** জিলাৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কালীপূজা আৰু দীপাৱলী পালন কৰা হৈছে। জিলাখনৰ সাৰ্বজনীন কালিবাড়ীৰ চৌহদত আজি নৱনিৰ্মিত কালী মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। এই উপলক্ষে মন্দিৰ চৌহদৰ পৰা জলযাত্ৰা সমদল উলিওৱা হয়। ইয়াৰ পাছত মন্দিৰত জল অভিষেক, বিষ্ণু পূজা, ন-কুমাৰী পূজা আদিকে ধৰি পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হয়।

**দৰং** জিলাৰ মঙলদৈৰ বিভিন্ন কালী মন্দিৰ আৰু ৰাজহুৱা শ্মশান আদিত কালী পূজাৰ আয়োজন কৰা হৈছে। মঙলদৈৰ শান্তিপাৰাৰ সাৰ্বজনীন কালী মন্দিৰত ৬২ বছৰীয়া পূজাৰ আয়োজন কৰা হৈছে। ইয়াৰ লগতে মঙলদৈৰ সমীপৰ শালৈপাৰা কালী মন্দিৰত দুদিনীয়া কাৰ্যসূচীৰে কালী পূজাৰ আয়োজন কৰা হৈছে।

**বৰপেটা** জিলাৰ বিভিন্ন স্থানত আজিৰে পৰা কেইবাদিনীয়া কাৰ্যসূচীৰে কালীপূজাৰ আয়োজন কৰা হৈছে। জিলাখনৰ গহীয়াত আজিৰে পৰা পাঁচ দিনীয়া কাৰ্যসূচীৰে ৬৭ সংখ্যক কালীপূজা উদযাপন কৰা হৈছে। উল্লেখযোগ্য যে, এই পূজাত মূৰ্তিৰ প্ৰচলন নাই যদিও এটা মাটিৰ ঘটত শ্যামাকালী দেৱীৰ প্ৰতিক হিচাপে লৈ পূজা-অৰ্চনা কৰা হয়। ইয়াৰ উপৰি এই পূজা বলি-বিধান নোহোৱাকৈ উদযাপন কৰি অহা হৈছে। পূজাৰ লগত সংগতি ৰাখি বিভিন্ন থলুৱা কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

**বাক্সা** জিলাৰ সজুৱা পুনৰ মিলন সংঘৰ উদ্যোগত আজিৰে পৰা সাতদিনীয়া কাৰ্যসূচীৰে তৃতীয় বাৰ্ষিক শ্যামাপূজা উদযাপন কৰা হৈছে। এই উপলক্ষে আজি বি টি চিৰ পশু পালন বিভাগৰ কাৰ্যবাহী সদস্য আগষ্টুচ টিগ্গাই পূজাৰ মুখ্য দ্বাৰ মুকলি কৰে। ইয়াৰ পাছত পতাকা উত্তোলন, শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবি মুকলি আৰু ছাংঘৰ মুকলি কৰা হয়। পূজাৰ আটাইকেইটা দিনতে সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ শৌলমাৰিত থকা ঐতিহাসিক শ্ৰীশ্ৰী মা শ্যামকালী মন্দিৰত আজিৰে পৰা তিনি দিনীয়া কাৰ্যসূচীৰে কালী পূজাৰ আয়োজন কৰা হৈছে। কালী পূজা উপলক্ষে আজি পুৱাৰে পৰা বিভিন্ন ঠাইৰ পৰা অহা ভক্তিপ্ৰাণ ৰাইজে মা কালীৰ চৰণত আশীষ লৈ সকলোৰে মংগল কামনা কৰিছে। জিলাখনৰ আন আন ঠাইত কালীপূজা আৰু দীপাৱলী উদযাপনৰ বাতৰি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

পাঠশালা যুৱ সমাজৰ উদ্যোগত **বজালী** জিলাত দুদিনীয়া কাৰ্যসূচীৰে কালী পূজাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ওজাপালি প্ৰদৰ্শন, বিশ্ব শান্তিৰ বাবে বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ আদি কাৰ্যসূচী লোৱা হৈছে। **শিলচৰ**ৰ ১২৪ বছৰ পুৰণি শ্মশানঘাট কালীমন্দিৰত আজি নিশা কালী পূজা অনুষ্ঠিত হ'ব। **শ্ৰীভূমি** জিলাৰ কানাই বজাৰ, ৰামকৃষ্ণ নগৰ, নীলাম বজাৰ, বদৰপুৰ আজি ঠাইত উৎসাহ-উদ্দীপনাৰে ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি কালী পূজা আৰু দীপাৱলী উদযাপন কৰা হৈছে। ৰাজ্যৰ মৎস্য, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালে আজি চহৰখনৰ এটা পূজা মণ্ডপ মুকলি কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দীপাৱলী উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে দীপাৱলী হৈছে দেশৰ আটাইতকৈ জনপ্ৰিয় উৎসৱ যাক বিপুল উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। এই উৎসৱে অন্ধকাৰৰ ওপৰত পোহৰ, অজ্ঞানতাৰ ওপৰত জ্ঞান আৰু অশুভৰ ওপৰত শুভ কাৰ্যৰ জয়ক উদযাপন কৰে। শ্ৰীমতী মুৰ্মুৱে লগতে কয়, যে পোহৰৰ এই উৎসৱে আত্মপ্ৰতিফলন আৰু আত্মবিকাশৰ সুযোগ দিয়াৰ লগতে পাৰস্পৰিক স্নেহ আৰু ভাতৃত্ববোধৰ বাৰ্তা দিয়ে। তেওঁ সকলোকে সুৰক্ষিতভাৱে দায়িত্বসহকাৰে আৰু পৰিৱেশ অনুকুল ব্যৱস্থাৰে দীপাৱলী উদযাপন কৰিবলৈ আহ্বান জনায়। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে দীপাৱলীয়ে সকলোলৈ সুখ, শান্তি আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীলৈ দীপাৱলী শুভেচ্ছা জনাই এটা বাৰ্তাত এই পোহৰৰ উৎসৱে সকলোৰে জীৱন শান্তি আৰু সমৃদ্ধিৰে উপচাই তুলিব বুলি কামনা কৰে।

***(বাইট ঃ মোদী)***

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে এটা বাৰ্তাত দীপাৱলীৰ পৱিত্ৰ ক্ষণত দেৱী লখিমীয়ে সকলোলৈ শান্তি, সমৃদ্ধি কঢ়িয়াই অনাৰ লগতে সকলোৰে সুস্বাস্থ্য কামনা কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰি দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

অহা ডিচেম্বৰৰ বা জানুৱাৰীৰ ভিতৰত কাজিৰঙাৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া বাগৰিত মুখ্যমন্ত্ৰীগৰাকীয়ে আজি এই কথা জানিবলৈ দিয়ে।

ইপিনে, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ বাবে বিশেষ তদন্তকাৰী গোটৰ ছিংগাপুৰ ভ্ৰমণ সন্দৰ্ভত গোটৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই পৰৱৰ্ত্তী সময়ত সংবাদ মাধ্যমক সকলো অৱগত কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই মন্তব্য কৰে।

বাইট

০০০০০

শিক্ষা তথা ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি অভিযান্ত্ৰিক বিদ্যালয়ৰ এটা ছাত্ৰীনিবাসৰ উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ জনজাতি পৰিক্ৰমা ভৈয়াম বিভাগৰ অধীনত নিৰ্মাণ কৰা এই ছাত্ৰীনিবাসটোৰ লগতে শিক্ষাৰ্থীৰ বৰ্ধিত সংখ্যালৈ লক্ষ্য ৰাখি আন এটা নিবাস নিৰ্মাণৰো অনুমোদন দিয়া বুলি মন্ত্ৰীগৰাকীয়ে আজি উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে ধেমাজিৰ ভেহপৰাৰ ধেমাজি ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰত উপস্থিত হৈ এটা ছাত্ৰাবাসৰ শিলান্যাস কৰে। ভাষণ প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে কয় যে টাটা টেকনোলজীৰ সহায়ত উদ্যোগ ৪.০ৰ সৈতে সংযুক্ত হৈ দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ প্ৰৱৰ্তন কৰি ধেমাজিকে ধৰি আন ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰসমূহ উন্নীত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

০০০০০

২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে পবিতৰা অভয়াৰণ্য অহা ২৩ অক্টোবৰত পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। বিশ্বৰ ভিতৰত কম আয়তনত সৰ্বাধিক গঁড় থকা অভয়াৰণ্যখনৰ দ্বাৰ ৰাজ্য চৰকাৰৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আনুষ্ঠানিকভাৱে মুকলি কৰিব। উল্লেখযোগ্য যে বানপানীৰ সময়ছোৱাত ক্ষয়-ক্ষতি হোৱা অভয়াৰণ্যখনৰ আন্তঃগাঁথনি ইতিমধ্যে মেৰামতি কৰি তোলা হৈছে। সম্প্ৰতি ১১০টা গঁড় থকা অভয়াৰণ্যখনত শীতৰ আগমনৰ লগে লগে দেশী-বিদেশী বহু পৰিভ্ৰমী চৰায়ে বাহ লোৱা বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে।

০০০০০

ৰাজ্য চৰকাৰে ৰাজ্যত অনুপ্ৰৱেশ ৰোধ কৰাৰ বাবে প্ৰয়াস অব্যাহত ৰাখিছে। আৰক্ষী প্ৰশাসন আৰু সীমান্ত সুৰক্ষা বাহিনীয়ে অনুপ্ৰৱেশৰ ঘটনা ৰোধ কৰাৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত সহযোগিতাৰে অভিযান চলাই আছে। ইয়াৰ অংশ হিচাপে আজি শ্ৰীভূমি জিলাৰ পৰা আটক কৰা ১৮ গৰাকী ৰোহিংগাক সীমান্তৰ সীপাৰলৈ ওভতাই পঠোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা জানিবলৈ দিছে।

০০০০০

দৰং জিলা সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যসূচী **আকাশ** উপসমিতিৰ বাৰ্ষিক সন্মিলনখন কালি সফলতাৰে অনুষ্ঠিত হয়। পূব মঙলদৈ সাহিত্য সভাৰ উদ্যোগত আয়োজিত কাৰ্যসূচীত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ এমাহ সম্পূৰ্ণ হোৱা উপলক্ষে জিলা সাহিত্য সভাৰ সম্পাদক মৃণাল কুমাৰ ৰাজবংশীয়ে সম্পাদনা কৰা **মায়াবিনি** নামৰ এখন গ্ৰন্থ উন্মোচন কৰা হয়। এই কাৰ্যসূচীত জিলাখনৰ ২০ টা শাখাৰ ২০০ ৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে।

০০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ সংস্কৃতি কেন্দ্ৰৰ উদ্যোগত আৰু ৰাছিঞ্জা আছঙৰ সহযোগত ডিফু ডিলাজি বিৰলাত ১৭ অক্টোবৰৰ পৰা অনুষ্ঠিত কাৰ্বি লোকগীতৰ কৰ্মশালাৰ আজি সামৰণি পৰে। চাৰিদিনীয়া এই কৰ্মশালাত অন্ত্যেষ্টিক্ৰিয়াৰ সময়ত গোৱা বিশেষ লোকগীত কাছাৰহেৰ প্ৰশিক্ষণ প্ৰদান কৰা হয়। কাৰ্বি আংলঙৰ লগতে বিশ্বনাথ আৰু শোণিতপুৰৰ বহুসংখ্যক কাৰ্বি মহিলাই এই কৰ্মশালাত অংশগ্ৰহণ কৰে।

কাছাৰহেৰ সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে স্বায়ত্ত শাসিত পৰিষদখনে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিব বুলি কলা আৰু সাংস্কৃতিক বিভাগৰ বিষয়ববীয়াসকলে সামৰণি অনুষ্ঠানত মন্তব্য কৰে।

০০০০০

মাজুলীৰ দৰিয়াদুবিৰ পাৰত অহা ৪ নৱেম্বৰৰ পৰা তিনি দিনীয়া কাৰ্যসূচীৰে শ্ৰীকৃষ্ণৰ ৰাসলীলাৰ আয়োজন কৰা হৈছে। অঞ্চলটোৰ যুৱ সমন্বয় কৃষ্টি সংঘই অস্থায়ী মঞ্চত যোৱা ছবছৰ ধৰি আয়োজন কৰি অহা এই ৰাসলীলা এইবাৰ অসমীয়াৰ স্বভিমানস্বৰূপ হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত উৎসৰ্গা কৰা হ'ব। উল্লেখযোগ্য যে শিল্পী জুবিন গাৰ্গে ২০০২ চনত এই দৰিয়াদুবিৰ পাৰত প্ৰথমবাৰৰ বাবে সংগীতানুষ্ঠান পৰিৱেশন কৰিছিল। শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায় এইবাৰ এই ৰাসলীলা দৰ্শকসকলে বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জানিব পৰা গৈছে।

০০০০০

বিশ্বনাথ জিলাৰ বগুৰিগুৰিৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাইপাছত আৰক্ষীয়ে এখন সুৰাভৰ্তি ট্ৰাক জব্দ কৰে। অৰুণাচল প্ৰদেশৰ পৰা মণিপুৰলৈ সুৰাখিনি নিয়াৰ সময়তে বিশ্বনাথ আৰক্ষী আৰু কাৰ্বি আংলং আৰক্ষীয়ে এই যুটীয়া অভিযান চলায়। জব্দ কৰা সুৰাখিনিৰ বজাৰমূল্য প্ৰায় ৩০ লাখ টকা হ'ব বুলি সদৰি কৰাৰ লগতে অধিক তথ্যৰ বাবে আৰক্ষীয়ে ট্ৰাকৰ চালক আৰু হেণ্ডিমেনক সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০

ভাৰতীয় জনতা পাৰ্টিৰ যোৰহাট জিলাৰ পূব যোৰহাট মণ্ডলত আজি প্ৰাক্তন ছাত্ৰ নেতা, যুৱ নেতা, ৱাৰ্ড সদস্যাকে ধৰি ৫০জনৰো অধিক লোকে ভাৰতীয় জনতা পাৰ্টীত আনুষ্ঠানিকভাৱে যোগদান কৰে। এই যোগদান কাৰ্যসূচীত স্থানীয় বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী তথা দলৰ বিষয়ববীয়া আৰু কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি শ্ৰীলংকাই বাংলাদেশক জয়ৰ বাবে ২০৩ ৰাণৰ লক্ষ্য বান্ধি দিছে। নৱী মুম্বাইৰ ডং ডি ৱাই পাটিল স্পৰ্টচ্ছ একাডেমীত অনুষ্ঠিত খেলখনত টছত জিকি প্ৰথমে বেট ধৰিবলৈ লোৱা শ্ৰীলংকা দলটোৰ হৈ হাশিনী পেৰেৰাই ৮৫ আৰু অধিনায়িকা চামাৰি আটাপট্টুৱে ৪৬ ৰাণ কৰে। বাংলাদেশৰ স্বৰ্ণা আখতাৰে সৰ্বাধিক ৩টা উইকেট লাভ কৰে।

ইপিনে, যোৱা নিশা ইন্দোৰৰ হ'লকাৰ ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ভাৰতক ৪ ৰানত পৰাস্ত কৰি ইংলেণ্ডে ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে। ভাৰতে এই প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিবলৈ হ'লে নিউজিলেণ্ড আৰু বাংলাদেশৰ সৈতে হ'বলগীয়া দুয়োখন খেলতে জয়লাভ কৰিব লাগিব।

০০০০০

ডিব্ৰুগড় কনভয় ৰোড নিবাসী ৰিয়াজুল ইছলাম বৰাৰ আজি পুৱা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৭৪ বছৰ। ডিগবৈ অইল ইণ্ডিয়া লিমিটেডৰ অৱসৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে মৃত্যুৰ সময়ত পত্নী আৰু কন্যাৰ লগতে বহু আত্মীয় স্বজনক এৰি থৈ যায়।

০০০০০

সমাপ্ত